# Phone call between Prime Minister Shri Narendra Modi and H.E. Sheikh Hasina, Prime Minister of the People's Republic of Bangladesh

May 25, 2020

---

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী মহামান্য শেইখ হাছিনাৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 25, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বাংলাদেশৰ প্ৰধানমন্ত্ৰী মহামান্য শেইখ হাছিনাৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে ঈদ-উল-ফিতৰৰ উপলক্ষে প্ৰধানমন্ত্ৰী শেইখ হাছিনাৰ লগতে বাংলাদেশৰ সমূহ নাগৰিককৈ শুভ কামনা জ্ঞাপন কৰে।

আলোচনা কালত নেতা দুগৰাকীয়ে শেহতীয়াভাৱে আম্ফান ঘূৰ্ণীয়ে দেশ দুখনত কৰা ক্ষয়-ক্ষতিৰ সমীক্ষা কৰে। লগতে ক’ভিড-19 মহামাৰীৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি আৰু ইয়াৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত দুয়োখন দেশৰ মজাত সহযোগিতামূলক কাম-কাজৰ সন্দৰ্ভতো আলোচনা কৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোডীয়ে এই প্ৰতিকূল পৰিস্থিতিত বাংলাদেশক সহযোগিতা আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি পুনৰাই ব্যক্ত কৰে।

প্ৰধানমন্ত্ৰী মোডীয়ে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শেইখ হাছিনাৰ লগতে বন্ধু ৰাষ্ট্ৰ বাংলাদেশৰ সকলো নাগৰিকৰ সু-স্বাস্থ্য আৰু কল্যাণৰ বাবে শুভেচ্ছা জনায়।

**নতুন দিল্লী**
**মে’ 25, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.